## শ্ৰেণী ব্যৱস্থা

ইয়াৰ কোনো সৰ্বজন গ্ৰাহ্য সংজ্ঞা নাই। আৰ্থিক সংগতি, সামাজিক মৰ্যাদা, মনস্তত্ব, শক্তি সামৰ্থ্য আদি বিভিন্ন দৃষ্টিকোনৰ পৰা এই ধাৰণাক ব্যাখ্যা কৰা হয়। বিভিন্ন সমাজতত্ব বিদ্ সকলেও ভিন্ন ভিন্ন দিশৰ পৰা সামাজিক শ্ৰেণী সম্পৰ্কে আলোচনা কৰিছে।

## জাতি আৰু শ্ৰেণী

১) জাতিভেদ প্ৰথা হৈছে জন্ম ভিত্তিক বা বংশানুক্ৰমিক। জন্ম সূত্ৰয়ে হৈছে জাতিভেদ প্ৰথাৰ ভিত্তি। ই হৈছে এটা বন্ধ গোষ্ঠী (Closed)। এটা জাতিৰ মাজত আন এটা জাতিৰ প্ৰৱেশ অসম্ভৱ। আনহাতে শ্ৰেণীৰ ভিত্তি হৈছে সামাজিক প্ৰতিষ্ঠাৰ ক্ষেত্ৰত থকা বৈষম্য বা জীৱনৰ বিভিন্ন সুযোগ-সুবিধা লাভ কৰাৰ ক্ষেত্ৰত থকা পাৰ্থক্য।

২) জাতিৰ বৈশিষ্ঠ হিচাপে আন্তবিৰ্বাহ (Endogamy) কথা কোৱা হয়। উভয়েই অভিন্ন জাতিৰ অৰ্ন্তভূক্ত হ'ব লাগে। কিন্তু সামাজিক শ্ৰেণীৰ ক্ষেত্ৰত এক শ্ৰেণীৰ ব্যক্তিৰ সৈতে আন এটা শ্ৰেণীৰ ব্যক্তিৰ বৈবাহিক সম্পৰ্ক হ'ব পাৰে।

৩) জাতিৰ ক্ষেত্ৰত উচ্চ বৰ্ণ আৰু নিম্ন বৰ্ণৰ মাজত সামাজিক ক্ষেত্ৰত যথেষ্ঠ ব্যৱধান থাকে। সামাজিক আচাৰ, অনুষ্ঠান, খোৱা- পিন্ধা আদি ক্ষেত্ৰত যথেষ্ঠ স্পষ্ঠ এই ব্যৱধান। সামাজিক শ্ৰেণীৰ মাজতো এনে ব্যৱধান থাকে কিন্তু প্ৰকট (স্পষ্ঠ) ৰূপত নাথাকে।

৪) সামাজিক শ্ৰেণীৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিষয় হৈছে শ্ৰেণী সচেতনতা আৰু শ্ৰেণী সংহতি। কিন্তু জাতিৰ ক্ষেত্ৰত এনে দেখিবলৈ পোৱা নাযায়।

৫) জাতিৰ ক্ষেত্ৰত ব্যক্তিৰ মৰ্যাদা জন্মসূত্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। ইয়াৰ পৰিৱৰ্তন নহয়। আনহাতে শ্ৰেণীৰ ক্ষেত্ৰত পদমৰ্যাদা পুৰ্বনিদ্ধাৰিত বা অপৰিবৰ্তনীয় নহয়। জাতিগত মৰ্যাদা হৈছে আৰোপিত আৰু শ্ৰেণীগত মৰ্যাদা হৈছে অৰ্জ্জিত।

৬) জাতিৰ মাজত একাধিক শ্ৰেণীৰ অস্তিত্ব থাকে আৰু এনে শ্ৰেণীসমূহৰ মাজত সম্প্ৰীতিও দেখিবলৈ পোৱা যায়।

৭) শ্ৰেণীৰ অন্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ঠ হৈছে সামাজিক সচলতা। কিন্তু জাতিৰ ক্ষেত্ৰত এই বৈশিষ্ঠ অনুপস্থিত। সামাজিক শ্ৰেণী বিন্যাসৰ ক্ষেত্ৰত শ্ৰেণী পৰিৱৰ্তন সুযোগ থাকে। অৰ্থ্যাৎ শ্ৰেণী হৈছে 'মুক্ত সমাজ' ৰ প্ৰতীক। জাতি জন্মসূত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু সেয়েহে এই প্ৰথাত সামাজিক সচলতাৰ অভাৱ আৰু জাতিভেদ হৈছে 'ৰুদ্ধ সমাজ' ৰ প্ৰতীক।

৮) জাতি ভেদ প্ৰথাৰ ভিত্তি হৈছে ধৰ্মীয় বিশ্বাস, শাস্ত্ৰীয় বিধান আদি। আনহাতে শ্ৰেণী বিভাজনৰ ভিত্তি হৈছে প্ৰধানকৈ অৰ্থনৈতিক।

## ভাৰতীয় ৰাজনীতিত শ্ৰেণী বিভাজনৰ স্বৰূপ

শ্ৰেণী সাধাৰণতে গঢ়ি উঠে আৰ্থিক সংগতি, সামাজিক মৰ্যাদা, শিক্ষাগত অৰ্হতা আদিৰ ওপৰত ভিত্তি কৰি। তেনে দৃষ্ঠি কোণৰ পৰা ভাৰতীয় সমাজৰ শ্ৰেণী বিভাজনে বহল ভাৱে এনেদৰে কৰিব পৰা যায়।

আৰ্থিক অৰ্হতাৰ ভিত্তিত ধনী শ্ৰেণী আৰু দুখীয়া শ্ৰেণীৰ লগতে ভাৰতৰ সমাজ আৰু ৰাজনৈতিক ব্যৱস্থাত মধ্যবিত্ত শ্ৰেণীৰো যথেষ্ঠ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আৰ্থিক আৰু শিক্ষাৰ অৰ্হতাৰ ভিত্তিত ভাৰতীয় ৰাজনীতিত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। ‘এলিট’ বা ‘বাছকৰণীয়’ গোট বা ‘বুদ্ধিজীৱি’ সকলে।

ধনী শ্ৰেণী ভিতৰত বৃহৎ উদ্যোগপতিসকলৰ লগতে কেইখনমান ৰাজ্যৰ ধনী কৃষক সকলৰো ৰাজনীতিত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যথেষ্ঠ ভূমিকা পালন কৰা দেখিবলৈ পোৱা যায়।

ভাৰতবৰ্ষৰ দৰে প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ থকা দেশ এখনত বহুতো নাগৰিকৰ বাবে ‘ৰাজনীতি’ হৈছে আজীৱিকা স্বৰূপ। কিন্তু যিহেতু নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ বাবে ধনৰ প্ৰয়োজন সেয়ে প্ৰত্যক্ষ ৰাজনীতিত ধনীশ্ৰেণীৰ মানুহে অধিক অংশ গ্ৰহণ কৰা পৰিলক্ষিত হয়। অৱশ্যে সৎ, জনপ্ৰিয়, দলৰ প্ৰতি আনুগত্য থকা দুখীয়া শ্ৰেণীৰ বা মধ্যবিত্ত শ্ৰেণীৰ কিছু সংখ্যক মানুহৰ প্ৰাৰ্থীত্ব দলে প্ৰদান কৰা চকুত পৰে। মধ্যবিত্ত শ্ৰেণীৰ ভাৰতীয় সকলৰ মাজত ৰাজনীতি লৈ আলোচনা কৰাৰ আগ্ৰহ থাকিলেও প্ৰত্যক্ষ ৰাজনীতিও অংশগ্ৰহণ কৰা ইচ্ছা বা সহায় খুব এটা দেখিবলৈ পোৱা নাযায়। জীৱনৰ সকলো দায়বদ্ধতা পালন কৰিব লগা এই শ্ৰেণীৰ মানুহৰ অনিশ্চয়তাৰে ভৰা ৰাজনীতিত যোগদান কৰাৰ প্ৰবৃত্তি নাথাকে।

ধনী শ্ৰেণীৰ অৰ্ন্তভূক্ত উদ্যোগপতি বা ভূস্বামী সকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ভাৰতৰ ৰাজনীতিক নিয়ন্ত্ৰণ কৰে সকলো ৰাজনৈতিক দলক আৰ্থিক ভাৱে সহায় কৰা এই ব্যক্তি সকল বিধান মণ্ডল বা সংসদৰ সদস্য নহলেও আইন আৰু চৰকাৰী নীতি নিয়ম গঢ়ি তোলাৰ ক্ষেত্ৰত যথেষ্ঠ প্ৰভাৱ বিস্তাৰ কৰি নিজৰ স্বাৰ্থ পূৰণ কৰে।

‘বুদ্ধিজীৱী’ বা ‘বাচকবণীয়া’ শ্ৰেণীৰ অৰ্ন্তভূক্ত ব্যক্তি সকলে ৰাজনৈতিক দলবোৰৰ ‘Think Tank’ হিচাপে কাৰ্য নিৰ্বাহ কৰে। লগতে কিছু সংখ্যক ধনী আৰু লগতে যথেষ্ঠ শিক্ষিত শ্ৰেণীৰ অৰ্ন্তভূক্ত ব্যক্তিক প্ৰত্যক্ষ দলীয় ৰাজনীতিত সফলতাৰে কাৰ্য কৰা চকুত পৰে। অৱশ্যে তুলনামূলকভাৱে ভাৰতবৰ্ষত বুদ্ধিজীৱীৰ পৰিৱৰ্তে জাত-পাতৰ ওপৰত নিৰ্ভৰ কৰি ৰাজনীতি কৰা নেতা সকলৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়।

আনহাতে দুখীয়া শ্ৰেণীৰ নাগৰিকসকলক ভাৰতত সাধাৰণতে ‘ভোটবেঙ্ক’ হিচাপে ব্যৱহাৰ কৰা হয়। ভোট প্ৰদান কৰাৰ ক্ষেত্ৰতো তেওঁলোকক প্ৰভাৱিত কৰা হয় ধন, জাত-পাত বা ভয়-ভীতিৰ সহায়লৈ। আৰ্থিক দিশত দুৰ্বল এই দুখীয়া শ্ৰেণীয়ে ‘ৰাজনীতি’ ক লৈ ভবাৰ অৱকাশ নাপায়। তথাপি ভাৰতৰ ৭৩ বছৰৰ সফল গণতান্ত্ৰিক ব্যৱস্থাৰ ক্ষেত্ৰত এওঁলোকৰ যথেষ্ঠ ভূমিকা আছে। সকলো প্ৰলোভনৰ উৰ্দ্ধত উঠি চৰকাৰ পৰিৱৰ্তন কৰাৰ ক্ষমতা এওঁলোকে ৰাখে।

## পিতৃ-তন্ত্ৰ আৰু ভাৰতীয় ৰাজনীতি
## অথবা ভাৰতৰ ৰাজনীতিত লিংগৰ প্ৰভাৱ

পৃথিৱীৰ প্ৰায় সকলোবোৰ দেশৰ মহিলাসকলৰ মনত এক ধাৰণা গঢ়ি উঠিছে যে ৰাজনীতি হৈছে প্ৰধানকৈ পুৰুষৰ বিষয়। ৰাজনীতিক সমাজবিজ্ঞানৰ সমীক্ষাত এইখিনি স্পষ্ঠ ভাৱে প্ৰমাণিত হৈছে।

ভাৰতবৰ্ষৰ দৰে এখন ধ্ৰুপদী, ঐতিহ্যবাহী সমাজ ব্যৱস্থা, যিখন যথেষ্ঠ ৰক্ষণশীল সমাজ তেনে ব্যৱস্থাত ৰাজনীতিত মহিলা অংশ গ্ৰহণ এতিয়া যথেষ্ঠ নহয়। ৰাজনীতিত অংশগ্ৰহণ হাৰ আৰু মাত্ৰা বহু পৰিমাণে নাৰী-পুৰুষৰ পাৰ্থক্যৰ পৰিপ্ৰেক্ষিতত নিয়ন্ত্ৰিত আৰু নিৰ্ধাৰিত হয়। কিন্তু ভাৰতবৰ্ষৰ ক্ষেত্ৰত ইয়াৰ যথেষ্ঠ ব্যতিক্ৰমও চকুত পৰে। পৰাধীন ভাৰতবৰ্ষত যথেষ্ঠ হাৰত মহিলা সকলে জাতীয়তাবাদী আন্দোলন আৰু স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষৰ দৰে এখন তৃতীয় বিশ্বৰ ৰাষ্ট্ৰত মহিলা সকলে যথেষ্ঠ প্ৰতিকুল পৰিস্থিতিত বসবাস কৰে। প্ৰকৃত সক্ৰিয় ৰাজনীতিত মহিলা সকলে অংশ গ্ৰহণ নকৰাৰ বহুতো কাৰণ আছে। যেনে - পাৰম্পৰিক

গৃহকৰ্মত আৱদ্ধ ৰখাৰ পুৰুষতান্ত্ৰিক সমাজৰ নিয়ম, পৰনিৰ্ভৰশীলতা, প্ৰত্যক্ষভাৱে ৰাজনীতিক সংযোগ সম্পৰ্কৰ অভাৱ, ৰাজনৈতিক ক্ষেত্ৰত অংশ গ্ৰহণৰ সুযোগ-সুবিধাৰ অভাৱ আদি।

এইখিনি কথাত ইয়াত উল্লেখ কৰিব লাগিব যে ভাৰতবৰ্ষৰ মহিলাসকলো ৰাজনীতিত অংশ গ্ৰহণৰ ক্ষেত্ৰত অনাগ্ৰহী। প্ৰাচ্য পাশ্চত্য প্ৰায় সকলো দিশতে একেই চিত্ৰ। আৰ্থ-সামাজিক স্তৰীকৰণৰ উচ্চস্তৰত থকা মহিলা সকলো এই ক্ষেত্ৰত আগ্ৰহী নহয়। ভাৰতীয় সমাজৰ অধিকাংশক মহিলাই পুৰুষ তান্ত্ৰিক সমাজৰ ইমান বছৰৰ প্ৰভাৱত নিজকে ঘৰৰ ভিতৰুৱা কামত নিয়োজিত ৰাখিয়ে ভাল পায়। বাহিৰা পৃথিৱীৰ সমস্যাৰ পৰা মহিলা সকলক আতৰত ৰখাৰ এক স্বাভাৱিক প্ৰৱণতা আমাৰ সমাজ ব্যৱস্থাত পৰিলক্ষিত হয়।

কিন্তু ভাৰতীয় সংবিধান বা বিধান মণ্ডলে ৰাজনৈতিক ক্ষেত্ৰত থকা এনে লিংগ বৈষম্য আতৰ কৰাৰ বাবে ভালে মান ব্যৱস্থা হাতত লৈছে। সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আদি মৌলিক অধিকাৰৰ উপৰিও সংৰক্ষণ ব্যৱস্থাৰ জৰিয়তেও সংবিধানে লিংগ ন্যায় প্ৰতিষ্ঠাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় সংসদে ৭৩তম আৰু ৭৪তম সংবিধান সংশোধনাৰ জৰিয়তে পঞ্চায়তত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। কিন্তু সংসদত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণ বিধেয়কখন এতিয়াও গৃহীত হোৱা নাই। পুৰুষতান্ত্ৰিক মানসিকতাৰ ই এটা উদাহৰণ। আৰু ভাৰতবৰ্ষৰ ৰাজ্যিক বিধানমণ্ডল বা কেন্দ্ৰিয় সংসদত এতিয়াও মহিলাৰ অংশ গ্ৰহণ পুতৌজনক। বিভিন্ন ৰাজনৈতিক দলে (পুৰুষ শাসিত অধিকাংশ) নিৰ্বাচনৰ সময়ত যোগ্য মহিলাকো প্ৰাৰ্থীত্ব প্ৰদানৰ ক্ষেত্ৰত আগ্ৰহ নেদেখুৱাই। কিন্তু ৰাজনৈতিক দিশত শক্তিশালী মহিলাসকলেও মহিলাৰ বাবে বাট মুকলাই দিয়া নাই।

ৰাজনৈতিক ক্ষেত্ৰত পিতৃ-তন্ত্ৰৰ প্ৰভাৱক হ্ৰাস কৰিব লগা হ'লে মহিলা সকলৰ মানসিকতাৰো পৰিৱৰ্তন হ'ব লাগিব। নিজৰ যোগ্যতা প্ৰমাণৰ জৰিয়তে সংৰক্ষণৰ গইনা নোলোৱাকৈও মহিলাসকল ৰাজনীতিক ক্ষেত্ৰত সক্ৰিয় হ'ব পাৰে। বিশেষকৈ পঞ্চায়তী ব্যৱস্থা প্ৰত্যক্ষ অংশগ্ৰহণৰ সুযোগ লাভ কৰা মহিলাগৰাকীৰ নিজৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা মাফিক লাগিব।

ভোট প্ৰদানৰ ক্ষেত্ৰত পৰিয়ালৰ নিৰ্দেশ অনুসৰণ কৰাৰ পৰিবৰ্তে নিজৰ যোগ্যতা, সজাগতা খটুৱাই নিজে সিদ্ধান্ত ল'ব লাগিব।

ৰাজনীতিৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে যুক্তি, সচেতনাৰে এই ক্ষমতাৰ যুঁজত অংশ গ্ৰহণ কৰিব লাগিব। ৰাজনীতি পুৰুষৰ একেচেটিয়া বিষয় নহয়, ইতিমধ্যে আমাৰ তৎকালিন প্ৰধানমন্ত্ৰী ইন্দিৰাগান্ধীয়ে প্ৰমাণ কৰি থৈ গৈছে।

## ভাৰতীয় ৰাজনীতিত জাতিৰ ভূমিকা

জাতি ব্যৱস্থা হৈছে সমাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতীক। ভাৰতৰ গাঁও অঞ্চলত এই ব্যৱস্থাও এতিয়া কিছু পৰিমানে বৰ্তমান আৰু সেয়ে চহৰ অঞ্চলৰ তুলনাত গাঁও অঞ্চলৰ ৰাজনীতিক জীৱনৰ জাত-পাত প্ৰভাৱ অধিক পৰিলক্ষিত হয়। ইয়াত জাত-পাতৰ নামত প্ৰাৰ্থী বাচনি, নিৰ্বাচনী প্ৰচাৰ আৰু ৰাজনৈতিক নেতৃত্ব নিয়ন্ত্ৰণ কৰা হয়।

কেইবছৰমানৰ পৰা ভাৰতৰ আৰ্থ-সমাজিক ক্ষেত্ৰত আৰু জাত-পাতৰ আকৃতি-প্ৰকৃতিত যথেষ্ঠ পৰিৱৰ্তন হৈছে। জমিৰ মালিকানা, ব্ৰাহ্মণ, ব্যৱসায়ী বা আন আন জমিৰ পৰা খেতিয়ক শ্ৰেণীৰ হাতলৈ স্থানান্তিত গৈছে। ভাৰতৰ কেইখনমান ৰাজ্য যেনে মহাৰাষ্ট্ৰ ৰ মাৰাঠোৱাৰা, উত্তৰ প্ৰদেশৰ পশ্চিমাংশ আৰু হৰিয়ানাত জঠি আৰু ৰাজনৈতিক প্ৰতিপত্তি বৃদ্ধি পাইছে।

ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতা, সাৰ্বজনীন ভোটাধিকাৰ, পঞ্চায়ত ব্যৱস্থা, অৰ্থনৈতিক আৰু ভৌগলিক সচলতা আদিয়ে জাতি ব্যৱস্থাক প্ৰভাৱিত কৰিছে। আৰু ইয়াৰ ফলত বহুতো জাতি ভিত্তিক সংগঠন গঢ়ি উঠিছে। নিজৰ জাতিগত স্বাৰ্থ সংৰক্ষণ আৰু প্ৰাধান্য প্ৰতিষ্ঠাৰ বাবে বিভিন্ন জাতিৰ গুৰুত্বপূৰ্ণ নেতাসকলে জাতি ভিত্তিক গঢ়ি তুলিছে। আৰু লগতে ভাৰতৰ বিভিন্ন জাতি সংগঠন বোৰৰ মাজত বিভেদমূলক শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াও সৃষ্টি হৈছে।

ৰাজনীতিক নেতাসকলে জাতপাত ভিত্তিক চেতনাক নিজৰে স্বাৰ্থত ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। জাতি ব্যৱস্থাক ৰাজনীতিক ক্ষমতা অৰ্জনৰ উপকৰণ হিচাপে ব্যৱহাৰ কৰা হয়। ৰাজনীতিক ক্ষমতা দখল আৰু ৰক্ষা কৰাৰ বাবে অধিকাংশ ৰাজনীতিক দল আৰু দলৰ নেতাসকলে ভোটাৰসকলৰ জাতিগত সমৰ্থনক সুসংগঠিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

ভাৰতত জাত-পাতৰ ভিত্তিত ৰাজনৈতিক দল গঢ়ি উঠাৰ যথেষ্ঠ উদাহৰণ আছে। যেনে - ডি.এম.কে., এ.আই.ডি.এম.কে, মহাৰাষ্ট্ৰৰ Peasants and warker party আদি।

নিৰ্বাচনৰ প্ৰাক কালত বিভিন্ন দলে জাত পাতৰ ভিত্তিত প্ৰাৰ্থী মনোনয়ন কৰে আৰু জনসাধাৰণৰ ওচৰত ভোট আবেদন কৰে। বহুতো ক্ষেত্ৰত নিৰ্বাচনী প্ৰতিদ্বন্দিতা দুটা জাতিৰ মাজৰ প্ৰতিদ্বন্দিতাত পৰিণত হয়।

ভাৰতৰ ৰাজনীতিত বৰ্তমান সময়ত তথাকথিত নিম্ন জাতিৰ মানুহৰ মাজত যথেষ্ঠ সচেনতা আৰু কাৰ্যকলাপ বৃদ্ধি পোৱা চকুত পৰে।

তেওঁলোকে ৰাজনীতি ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠাৰ বাবে উদ্যোগ লোৱা চকুত পৰে। ভাৰতত দুৰ্বল শ্ৰেণী, অনুসূচীত জাতি, জনজাতি সকলৰ বাবে ভালেমান সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা হৈছে। এনে সুযোগ-সুবিধাৰ ভিতৰত উল্লেখ যোগ্য হৈছে আইন সভা আৰু চাকৰিত সংৰক্ষণ, শিক্ষা প্ৰতিষ্ঠানত ভৰ্তিৰ সুবিধা আদি। এনে সুযোগ-সুবিধাক কেন্দ্ৰ কৰি জাত-পাত ভিত্তিক ৰাজনীতি কৰা হয় আৰু বিভিন্ন জাতিৰ মাজত আন্দোলন আৰু সংঘৰ্ষৰ সৃষ্টি হয়।

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত জাত-পাতৰ বহুতো নাকাৰাত্মক প্ৰভাৱ আছে। তথাপি আশা কৰিব পৰা যায় যে ৰাজনীতিক আনুগত্য, শ্ৰেণী সচেনতা, যুক্তিবাদ আদিয়ে ভাৰতবাসীক নিজৰ ৰাজনৈতিক ব্যৱস্থাক জাতি নিৰপেক্ষ আৰু ধৰ্মনিৰপেক্ষ হিচাপে গঢ়ি তুলিব।

*****